**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-08-2026
**Time:** 07-55 Hrs

***Assamese Morning Bulletin***

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে দেশৰ ৮০ সংখ্যক স্বাধীনতা দিৱসৰ প্ৰাকসন্ধ্যা আজি ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিব। আকাশবাণীয়ে সন্ধিয়া ৭ বজাৰ পৰা ৰাষ্ট্ৰপতিৰ ভাষণ পোনপটীয়াকৈ প্ৰচাৰ কৰিব। দূৰদৰ্শনৰ সকলো চেনেলযোগেও এই ভাষণ সম্প্ৰচাৰ কৰা হ'ব। হিন্দী আৰু ইংৰাজী ভাষণৰ ঠিক পাছতেই দূৰদৰ্শনৰ আঞ্চলিক কেন্দ্ৰসমূহে নিজ নিজ আঞ্চলিক ভাষাত ৰাষ্ট্ৰপতিৰ ভাষণ সম্প্ৰচাৰ কৰিব। আকাশবাণীয়ে নিশা চাৰে ৯ বজাত ৰাষ্ট্ৰপতিৰ ভাষণৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

0000000

ৰাজ্যৰ বান পৰিস্থিতি সুস্থিৰ হৈছে যদিও বানৰ বিভীষিকা এতিয়াও সম্পূৰ্ণৰূপে আঁতৰা নাই। পানী শুকাইছে যদিও বোকা, পলস আৰু ধবংসাৱশেষে প্ৰভাৱিত এলেকাসমূহত কদৰ্যময় পৰিস্থিতিৰ সৃষ্টি হৈছে। ৰাজ্যৰ ৭ খন জিলাৰ বিস্তীৰ্ণ অঞ্চল এতিয়াও বানৰ কবলত আছে। সাম্প্ৰতিক বানত ৩৭০ খন গাঁৱৰ ৭৭ হাজাৰ ৫৪২ জন লোক প্ৰভাৱিত হোৱাৰ লগতে ৯ হাজাৰ ৯০৮ দশমিক ৮-৫ হেক্টৰ কৃষিভূমি ক্ষতিগ্ৰস্ত হৈছে। বানত মৃত্যু হোৱা লোকৰ সংখ্যা ১০৩ হৈছেগৈ।

বিধানসভাৰ অধ্যক্ষ ৰণজিৎ দাসে কালি বানত বেয়াকৈ ক্ষতিগ্ৰস্ত চৰাইদেউ জিলাৰ চুমনী গাঁও পৰিদৰ্শন কৰে। শ্ৰী দাসে চুমনী গাঁৱৰ ৰাজহুৱা প্ৰেক্ষাগৃহত বান ক্ষতিগ্ৰস্ত জনসাধাৰণৰ সৈতে মত বিনিময় কৰাৰ লগতে অঞ্চলটোৰ বিভিন্ন সমস্যাৰ বুজ লয়। অধ্যক্ষগৰাকীৰ সৈতে সোণাৰিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰ আৰু মাহমৰাৰ বিধায়ক সুৰুজ দিহিঙীয়া উপস্থিত থাকে। তেওঁলোকে বানত ক্ষতিগ্ৰস্ত ৰাইজৰ ঘৰ-দুৱাৰকে ধৰি অন্যান্য দিশসমূহ পৰ্যৱেক্ষণ কৰে। শ্ৰী দাসে বান প্ৰভাৱিত লোকসকলক চৰকাৰ তথা প্ৰশাসনে প্ৰয়োজনীয় সকলো সহায়-সহযোগিতা আগবঢ়াব বুলি আশ্বাস দিয়ে। ৰাজ্য চৰকাৰে বান প্ৰভাৱিত এলেকাসমূহৰ বাবে বিশেষ চিন্তা-চৰ্চা কৰি আছে বুলি অধ্যক্ষগৰাকীয়ে উল্লেখ কৰে।

বাইট (ৰঞ্জিত কুমাৰ দাস)

ইপিনে, বানৰ ফলত বন্ধ হৈ থকা নিউ তিনিচুকীয়া-গুৱাহাটী মূল ৰে'লপথেৰে ২৪ দিনৰ অন্তত পুনৰ ৰে'লৰ চলাচল আৰম্ভ হৈছে। তিনিচুকীয়া মণ্ডলৰ ৰে'ল প্ৰৱন্ধকে কালি এখন সংবাদ মেলত এই কথা সদৰি কৰে। প্ৰৱন্ধকগৰাকীয়ে জনসাধাৰণৰ সুৰক্ষাৰ স্বাৰ্থত পৰিস্থিতি স্বাভাৱিক নোহোৱালৈকে সতৰ্কতামূলক ব্যৱস্থা অব্যাহত থাকিব বুলি উল্লেখ কৰে।

0000000

ৰাজ্যৰ প্ৰতিখন জিলাতে জনসাধাৰণৰ দেশাত্মবোধৰ চেতনাৰে উজ্জীৱিত কৰিবলৈ হৰ ঘৰ তিৰংগা অভিযান পূৰ্ণগতিত ৰূপায়ণ কৰা হৈছে। ডিব্ৰুগড় জিলা প্ৰশাসনৰ উদ্যোগত ৰাষ্ট্ৰীয় গীত বন্দে মাতৰমক সন্মান জনোৱাৰ উদ্দেশ্যে কালি পদযাত্ৰা অনুষ্ঠিত হয়। এই পদযাত্ৰা জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা থানা চাৰিআলি হৈ পুনৰ জিলা আয়ুক্ত কাৰ্যালয়লৈ উভতি আহে। জিলা উন্নয়ন আয়ুক্ত নন্দিতা বৰুৱাই মুকলি

কৰা পদযাত্ৰাত মহকুমা বিষয়া সমুজ্জ্বল বৰুৱা, অতিৰিক্ত জিলা আয়ুক্ত জুৰি দলে, ক্ৰীড়া আৰু সাংস্কৃতিক উন্নয়ন বিভাগৰ কেইবাগৰাকী বিষয়াৰ লগতে এন চি চি কেডেট আৰু ডিব্ৰুগড় জিলাৰ বিভিন্ন বিভাগৰ বিষয়া-কৰ্মচাৰীয়ে অংশগ্ৰহণ কৰে। হৰ ঘৰ তিৰংগা অভিযানৰ অংশ হিচাপে ত্ৰিৰংগ পতাকা গৌৰৱেৰে প্ৰদৰ্শন কৰিবলৈ নাগৰিকসকলক উৎসাহিত কৰাৰ সমান্তৰালকৈ ঐক্য, দেশপ্ৰেম আৰু জাতীয় অখণ্ডতাৰ মূল্যবোধ ৰক্ষা কৰাৰ বাবে সকলোকে এই পদযাত্ৰাৰ জৰিয়তে আহ্বান জনোৱা হয়। আনহাতে, ডিব্ৰুগড় জিলা সদৰৰ বৈৰাগী মঠত থকা শ্ৰী শ্ৰী অনিৰুদ্ধ দেৱ একাডেমীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দেশপ্ৰেম, অখণ্ডতা, ভাতৃত্ব আৰু সমন্বয় গঢ়ি তোলাৰ লগতে দেশৰ স্বাধীনতা  আন্দোলনৰ যুঁজাৰুসকলৰ আত্মত্যাগ তথা বলিদান সন্দৰ্ভত কালি বিশেষ দেশপ্ৰেমমূলক অনুষ্ঠান আয়োজিত হয়। শিক্ষাৰ্থীসকলৰ মাজত দেশপ্ৰেম সম্পৰ্কীয় বিভিন্ন প্ৰতিযোগিতা আৰু আজি শিক্ষানুষ্ঠানখনত দেশভক্তিমূলক অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাৰ কবিতা আবৃত্তি আৰু গীতৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছে।

0000000

সমাপ্ত